৩। অপ্ৰমা কেই প্ৰকাৰ আৰু কি কি, চমুকৈ লিখা।

উত্তৰ: অপ্ৰমা তিনি প্ৰকাৰৰ-

**(১)** সংশয় **(Samsaya or Doubt):** একেই বস্তুত বিভিন্ন বিৰুদ্ধ ধৰ্মৰ উপস্থিতিৰ জ্ঞানকে সংশয় বোলা হয় (একস্মিন্ ধৰ্মিণি বিৰুদ্ধ-নানা-ধৰ্ম- বৈশিষ্ট্যজ্ঞানং-অন্নংভট্ট)। সংশয়ৰ ক্ষেত্ৰত কোনো বস্তুত দুটা বা ততোধিক বিৰুদ্ধ ধৰ্ম আছে বুলি মনে হয়, কিন্তু বাস্তৱত তাত কোনো বিৰুদ্ধ ধৰ্ম একে সময়তে উপস্থিত নাথাকে। উদাহৰণস্বৰূপে, দূৰৈত থকা কোনো এটা বস্তু 'খুঁটা' নে 'মানুহ' তাক নিশ্চয়কৈ ক'ব পৰা নাই, অথচ এবাৰ খুঁটা আৰু এবাৰ মানুহ বুলি সন্দেহ হ'ব পাৰে। এনে সন্দেহকে সংশয় বোলা হয়। সংশয় বিৰুদ্ধাত্মক বা বিপৰীতাৰ্থক হ'ব পাৰে। মানুহ আৰু খুঁটাৰ মাজত হোৱা সংশয় বিৰুদ্ধাত্মক (contrary); আনহাতে, খুঁটা যে খুঁটা নহয় এই দুই বিপৰীত ধাৰণাৰ মাজত হোৱা সংশয় বিপৰীতাৰ্থক (contradictory)**।**

**(২)** বিপৰ্যয় **(Viparyaya or Error):** বিপৰ্যয় হ'ল ভ্ৰমজ্ঞান। অৰ্থাৎ বিপৰ্যয় হ'ল মিথ্যাজ্ঞান। অন্নংভট্টৰ মতে, "মিথ্যাজ্ঞানং বিপৰ্যয়ঃ”। সংশয় হ'ল অনিশ্চিত জ্ঞান, কিন্তু বিপৰ্যয় হ'ল নিশ্চিত জ্ঞান। বিপৰ্যয় হ'ল 'কোনো বস্তুত কোনো এক ধৰ্ম আছে বুলি মনে হ'লেও ঐ ধৰ্মটো বস্তুটোত নাই'- এনে নিশ্চিত জ্ঞান। উদাহৰণস্বৰূপে, 'ৰজ্জুত সৰ্পভ্ৰম'ৰ ক্ষেত্ৰত ৰচিত সাপ থকাটো নিশ্চিত বুলি মনে হ'লেও প্ৰকৃততে ঐ ধৰ্মটো (সৰ্পত্বটো) ৰচিত নাই- এনে নিশ্চয়াত্মক জ্ঞানেই হ'ল বিপৰ্যয় বা মিথ্যাজ্ঞান। বিপৰ্যয় প্ৰমা হ'ব নোৱাৰে, কাৰণ ই ভ্ৰমাত্মক। ইয়াত ভ্ৰমজ্ঞানৰ যোগেদি বস্তুৰ ওপৰত এক মিছা লক্ষণ আৰোপ কৰা হয়।

**(৩ )** তৰ্ক **(Tarka or Hypothetical Reasoning):** যি সিদ্ধান্ত প্ৰমাণ কৰা হৈছে সেই সিদ্ধান্তক যদি কোনোবাই অস্বীকাৰ কৰে, তেনেহ'লে সিদ্ধান্তটোৰ বিপৰীতক অসম্ভৱ প্ৰমাণ কৰি পৰোক্ষভাৱে মূল সিদ্ধান্তক প্ৰমাণ কৰাৰ বাবে যি যুক্তি প্ৰদৰ্শন কৰা হয়, তাকে তৰ্ক বোলা হয়। সহজ ভাষাত, তৰ্ক হ'ল এনে এক পদ্ধতি যাৰ দ্বাৰা মূল প্ৰতিপাদ্য বিষয়ৰ বিৰুদ্ধ বচনক (contradictory proposition) অসত্য প্ৰমাণ কৰি মূল বাক্যৰ সত্যতা প্ৰতিষ্ঠা কৰা হয়। উদাহৰণস্বৰূপে, "য'তে ধোঁৱা থাকে, তাতে জুই থাকে" যদি এই বচনটো মিথ্যা হয়, তেনেহ'লে ইয়াৰ বিৰুদ্ধ বচন 'কোনো কোনো ক্ষেত্ৰত ধোঁৱাযুক্ত বস্তুত জুইনাথাকে' নিশ্চয়কৈ সত্য হ'ব। কিন্তু দ্বিতীয় বচনটো কাৰ্যকাৰণ নিয়মৰ বিৰোধী। অৰ্থাৎ দ্বিতীয় বচনটোৰ বক্তব্য হ'ল জুই বিহীন ধোঁৱা সম্ভৱ। ইয়াৰ অৰ্থ হ'ল কাৰণ বিহীন কাৰ্য ঘটা সম্ভৱ। কিন্তু এনেকুৱা উক্তি কাৰ্যকাৰণ নিয়মৰ বিৰোধী কাৰণে গ্ৰহণযোগ্য নহয়। গতিকে পৰোক্ষভাৱে মূল প্ৰতিপাদ্য বিষয় 'য'তে ধোঁৱা থাকে, তাতে জুই থাকে' সত্য বুলি প্ৰমাণিত হ'ল। এই ধৰণৰ যুক্তিক তৰ্ক বোলা হয়।

৪। প্ৰমা আৰু অপ্ৰমা কি**?**

উত্তৰঃ 'প্ৰমা'ৰ দ্বাৰা বৈধ জ্ঞানক বুজোৱা হয়। আনহাতে অপ্ৰমা'ই অবৈধ জ্ঞানক বুজায়। প্ৰমা বা শুদ্ধ জ্ঞান হ'ল কোনো বস্তুৰ সঠিক আশংকা। প্ৰমা বা শুদ্ধ জ্ঞান চাৰিটা উপায়েৰে পাব পাৰি যেনে- প্ৰত্যক্ষ, অনুমান, উপমান আৰু শব্দৰ দ্বাৰা আনহাতে কিছুমান উপায় যেনে- স্মৃতি, সন্দেহ, ভুল আদিৰ দ্বাৰা আমাৰ শুদ্ধ জ্ঞান হ'ব নোৱাৰে।

৫। প্ৰমাণ কি**?**

উত্তৰ**:** ভাৰতীয় দৰ্শনত যথাৰ্থ জ্ঞানক 'প্ৰমা' (prama) অযথাৰ্থ জ্ঞানক 'অপ্ৰমা' (aprama) আৰু জ্ঞান অৰ্জনৰ উপায়ক প্ৰমাণ বোলা হয়। ভাৰতীয় দৰ্শনত মুঠ ছয়বিধ প্ৰমাণৰ উল্লেখ পোৱা যায়। সেইকেইবিধ হ'ল- প্ৰত্যক্ষ, অনুমান, শব্দ, উপমান, অৰ্থপত্তি আৰু আনুপলব্ধি।

৬। প্ৰমাণ বুলিলে কি বুজা**?**

উত্তৰ **:** প্ৰমা বা যথাৰ্থ অনুভৱৰ কৰণ বা উৎসক ভাৰতীয় জ্ঞানতত্বত 'প্ৰমাণ' বোলা হয়। প্ৰমাৰ কৰণক প্ৰমাণ বোলা হয় (প্ৰমায়ঃ কৰণম্ প্ৰমাণম্)। সাধাৰণতে প্ৰমাৰ সাধন বা উপায়ক প্ৰমাণ বোলা হয়। অৰ্থাৎ প্ৰমাণ হ'ল এনে মাধ্যম যাৰ দ্বাৰা সত্য বা যথাৰ্থ জ্ঞান লাভ কৰা যায় (প্ৰমীয়তে অনেন ইতি প্ৰমাণম্)। কিন্তু বিশেষভাৱে প্ৰমাৰ কৰণকে প্ৰমাণ বোলা হয়। ভাৰতীয় দৰ্শনত প্ৰমাৰ জনকক প্ৰমাণ বুলি কোৱা হয়। এই অৰ্থত প্ৰমাণ হ'ল প্ৰমাৰ উৎপাদক। প্ৰমাণৰ এই অৰ্থৰ পৰা দেখা যায় যে প্ৰমাণ বিহীন প্ৰমাৰ উৎপত্তি সম্ভৱ নহয়।

ভাৰতীয় দৰ্শনত প্ৰমাণক তিনিটা অৰ্থত ব্যৱহাৰ কৰা হৈছে- (ক) প্ৰমাৰ সমাৰ্থক অৰ্থ হিচাপে প্ৰমাণ; (খ) প্ৰমাৰ সাধন (কৰণ) ৰূপত প্ৰমাণ; আৰু (গ) প্ৰমাৰ কাৰণৰ অৰ্থত প্ৰমাণ। প্ৰমাৰ স্বৰূপ সম্পৰ্কীয় আলোচনাত প্ৰথম অৰ্থটো স্পষ্ট কৰা হৈছে। দ্বিতীয় অৰ্থত প্ৰমাণ হ'ল প্ৰমাৰ 'কৰণ' বা 'কাৰণ'।

৭। প্ৰমাণৰ বিশেষ লক্ষণ বা বৈশিষ্ট্য উল্লেখ কৰা।

উত্তৰঃ জয়ন্ত ভট্টই প্ৰমাণৰ কিছুমান বিশেষ লক্ষণ বা বৈশিষ্ট্য তলত দিয়া ধৰণৰ-

**(**১**)** অৰ্থোৎপন্নতাঃ প্ৰমাণ অৰ্থ বা বিষয় (object) উৎপন্ন কৰিব পৰা হয়। অৰ্থাৎ বিষয় বা অৰ্থৰ উৎপন্ন কৰিব পৰা বা উপস্থিত কৰিব পৰা কাৰণে হ'ল প্ৰমা। ইয়াৰ তাৎপৰ্য হ'ল এয়ে যে, প্ৰমাণৰ দ্বাৰা বহুতো বিষয় প্ৰকাশিত হয় অথবা সন্মুখত উপস্থিত হয়। আমি লক্ষ্য কৰিছোঁ যে, ন্যায় অনুসৰি প্ৰমা হ'ল উপস্থিতিমূলক (presentative), পুনৰাবৃত্তিমূলক (repetative) নহয়। গতিকে বিষয়বস্তুক আমাৰ সন্মুখত উপস্থিত কৰাটো প্ৰমাণৰ লক্ষণ।

**(**২**)** অব্যভিচাৰিতাঃ বস্তুক উপস্থিত কৰিব পৰা লক্ষণে কেৱল প্ৰমাণ হ'ব নোৱাৰে। ভ্ৰমৰ ক্ষেত্ৰতো বস্তুৰ উপস্থিতি থাকে, কিন্তু ভ্ৰমক প্ৰমা বুলি কোৱা নহয়। ইয়াৰ অৰ্থ হ'ল, কেৱল বস্তুক চেতনাত উৎপন্ন কৰিব দিব পাৰিলে কোনো সাধন প্ৰমাণ হ'ব নোৱাৰে। ইয়াত ই অব্যভিচাৰী হ'ব লাগিব। অৰ্থাৎ যি প্ৰমাণৰ দ্বাৰা যি জ্ঞান উৎপন্ন হয় তাৰ যাতে খণ্ডন কৰিব পৰা নাযায়। আন কথাত ক'বলৈ গ'লে, বস্তুৰ যথাৰ্থ স্বৰূপ আৰু গুণ যেনেকুৱা প্ৰমাণে তাক ঠিক সেইদৰে উপস্থিত কৰিব লাগিব।

**(**৩**)** ব্যৱসায়াত্মকতাঃ ইয়াৰ অৰ্থ হ'ল প্ৰমাণ হ'বলৈ হ'লে ই জ্ঞানৰ এক নিশ্চিত আৰু অসন্দিগ্ধ (determinate and doubtless) সাধন হ'ব লাগিব। যি জ্ঞান সন্দেহযুক্ত, তেনে জ্ঞান প্ৰমা নহয়। ইয়াত নিশ্চিত সত্যতা থাকিব লাগিব। সেইকাৰণে প্ৰমাণ নিশ্চিত আৰু অসন্দিগ্ধ হ'ব লাগিব যাতে প্ৰমাণৰ দ্বাৰা উৎপন্ন জ্ঞানত কোনো আশংকা নাথাকে।

৮। স্মৃতি কি**?**

উত্তৰঃ ইন্দ্ৰিয় নিৰপেক্ষভাৱে অৰ্থাৎ ইন্দ্ৰিয়ৰ ওপৰত নিৰ্ভৰ নকৰি কেৱল সংস্কাৰৰ পৰা যি জ্ঞানৰ উৎপত্তি হয় তাক স্মৃতি বোলা হয়। বেছিভাগ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে স্মৃতিক অপ্ৰমা বুলি কয়।

স্মৃতি হ'ল এটি অযথাৰ্থ জ্ঞানৰ প্ৰকাৰ। কাৰণ স্মৃতি হৈছে পুনৰাবৃত্তিমূলক জ্ঞান, উপস্থাপনমূলক নহয়। স্মৃতি অনুভৱৰ পৰা পৃথক। অনুভৱ বিষয়বস্তুৰ যথাৰ্থ উপস্থিতিৰ পৰা উদ্ভৱ হয়। কিন্তু স্মৃতিয়ে অতীতৰ বিষয়বস্তুৰ জ্ঞান দিয়ে। ই বৰ্তমানত উপস্থিত বস্তুৰ জ্ঞান নিদিয়ে। বস্তুৰ উপস্থাপনমূলক জ্ঞানে স্মৃতি আৰু অনুভৱৰ মাজৰ সীমাৰেখা নিৰ্ধাৰণ কৰে। অৰ্থাৎ অনুভৱ আৰু স্মৃতিৰ মাজৰ মূল পাৰ্থক্যটো বস্তুটো কিদৰে উপস্থিত হয় তাৰ ওপৰত নিৰ্ভৰ কৰে। অনুভৱৰ ক্ষেত্ৰত বস্তুটো আমাৰ চেতনাত উপস্থিত হয় আৰু তৎক্ষণাৎ বস্তুটো সম্পৰ্কে জ্ঞান লাভ কৰোঁ। সেয়ে ইয়াক উপস্থাপনমূলক বুলি কোৱা হয়। কিন্তু স্মৃতিৰ ক্ষেত্ৰত যিবস্তু সম্পৰ্কে আমি অতীতত জ্ঞান লাভ কৰিছোঁ তাকে বৰ্তমান স্মৰণ কৰা হয়। সেয়ে স্মৃতিক পুনৰাবৃত্তিমূলক বুলি কোৱা হয়। চমুকৈ ক'বলৈ গ'লে, অনুভৱৰ ক্ষেত্ৰত বস্তুটো উপস্থিত থাকে, কিন্তু স্মৃতিৰ ক্ষেত্ৰত বস্তুটোক স্মৰণ কৰা হয়।

বাৎসায়নে (Vatsayana) কৈছে যে, আত্মা হ'ল জ্ঞানেৰে পৰিপূৰ্ণ এক শাশ্বত দ্ৰব্য। যেতিয়া আত্মাই অতীত অভিজ্ঞতাত লাভ কৰা বস্তুক স্মৰণ কৰে, তেতিয়া তাক স্মৃতি বোলা হয় (When the self recalls an object of the past experience, it is known as Smriti or recollection)। ইয়াক আমি এই ৰূপত প্ৰকাশ কৰোঁ যে, 'মই ইয়াক আগতে জানিছোঁ' (I have known it before)। সেয়ে দেখা যায়, স্মৃতি হ'ল একেই আত্মাৰ দ্বাৰা অতীতত প্ৰত্যক্ষ কৰা বস্তুৰ পুনৰ স্মৰণ।

৯। ভাল বা উত্তম স্মৃতিৰ লক্ষণসমূহ বৰ্ণনা কৰা।

উত্তৰঃ ভাল বা উত্তম স্মৃতিৰ লক্ষণসমূহ হ'ল-

(ক) বিষয়বস্তু কম সময়ৰ ভিতৰত সহজে আয়ত্ত কৰিব পৰাটো ভাল স্মৃতিৰ লক্ষণ।

(খ) ভাল স্মৃতিৰ লোকে স্মৰণৰ বিষয়বস্তু অধিক সময়ত মনত ধৰি ৰাখিব পাৰে।

১০। স্মৃতি কাক বোলে**?** স্মৃতি নিৰ্ভৰ কৰা উপাদানবোৰ আলোচনা কৰা।

উত্তৰ**:** অভিজ্ঞতাবোৰৰ প্ৰতিৰূপ আমাৰ চেতন মনৰ পৰা অবচেত মনত ঠাই লয়। প্ৰয়োজন সাপেক্ষে অভিজ্ঞতাৰ পৰা এই প্ৰতিৰূপসমূহ আমি চেতন মনলৈ লৈ আনিব পাৰো। পূৰ্ব অভিজ্ঞতাক অবচেতন মনৰ পৰা চেতন বা সজ্ঞান মনলৈ পুনৰ উদ্ৰেক কৰা এই প্ৰক্ৰিয়াটোকেই স্মৃতি বোলা হয়।

স্মৃতিৰ উপাদানবোৰ তলত উল্লেখ কৰা হ'ল-

(ক) শিক্ষণ (Learning)

(খ) সংৰক্ষণ (Retention)

(গ) পুনঃস্মৰণ (Recall)

(ঘ) প্ৰত্যাভিজ্ঞা (Recognition)

১১। স্মৃতি প্ৰখৰতাৰ বৈশিষ্ট্যবোৰ কি কি**?** স্মৃতি শক্তিৰ উন্নতি কেনেকৈ কৰিব পাৰি ব্যাখ্যা কৰা।

উত্তৰঃ স্মৃতি প্ৰখৰতাৰ বৈশিষ্ট্যবোৰ হ'ল-

**(ক)** সহজ আৰু দ্ৰুত শিক্ষা গ্ৰহণ**:** শিক্ষনীয় কিছুমান বিষয় সহজে আৰু কম সময়ৰ ভিতৰত আয়ত্ত কৰিব পাৰি। য'ত উচ্চ স্মৃতি সম্পন্নলোকে অতি কম সময়তে স্মৰণ তথা আয়ত্ত কৰিব পাৰে। কিন্তু দুৰ্বল স্মৃতিৰ লোকৰ শিক্ষা গ্ৰহণ কাৰ্য্যও অধিক সময়ৰ প্ৰয়োজন হয়।

**(খ)** সংৰক্ষণৰ দীৰ্ঘস্থায়িত্বঃ আমি সহজতে শিকা কথা সহজতে পাহৰিও যাব (Easy learning is easy forgetting)। অভিজ্ঞাৰ দৃঢ় সংৰক্ষণ উচ্চ স্মৃতিসম্পন্ন লোকৰ এটা লক্ষণ। উচ্চ বা প্ৰখৰ স্মৃতি সম্পন্নলোকে বিষয়বস্তু সহজে আয়ত্ত কৰাৰ লগতে দীৰ্ঘকাল সংৰক্ষণ কৰি ৰাখিব পাৰে। দুৰ্বল স্মৃতিৰ লোকৰ বাবে এই কাৰ্য সম্ভৱ নহয়।

**(গ)** দ্রুত আৰু যথাৰ্থ পুনৰাভিব্যক্তি**:** সংৰক্ষণ কৰি ৰখা অভিজ্ঞতাৰ প্ৰতিৰূপ প্ৰয়োজন সাপেক্ষ দ্রুতভাৱে মনলৈ ঘূৰাই আনিব পৰাটো স্মৃতি প্ৰখৰতাৰ লক্ষণ। এনে লোকে পূৰ্ব অভিজ্ঞতাক সম্পৰ্ণ অক্ষতভাৱে যথাৰ্থ ৰূপত পুনৰুত্থাপন কৰিব পাৰে।

**(ঘ)** ক্ৰিয়া উপযোগিতা**:** কোনো সময়ত দেখা যায় সংৰক্ষিত অভিজ্ঞতা প্ৰয়োজনৰ মুহূৰ্তত চেতন মনলৈ পুনৰ উদ্ধাৰ কৰি অনাত আমি ব্যৰ্থ হওঁ। কিন্তু প্ৰখৰ স্মৃতিসম্পন্ন লোকে অচেতন মনত সংৰক্ষিত হৈ থকা অভিজ্ঞতাসমূহৰ পৰা প্ৰয়োজনীয় অংশ দ্রুতভাৱে চিনাক্ত কৰি সঠিক সময়ত সঠিকভাবে প্ৰয়োগ কৰিব পাৰে।

▸ ৰচনাধৰ্মী প্ৰশ্নোত্তৰ**:**

১। মীমাংসা দৰ্শনৰ স্বতঃ প্ৰামাণ্যবাদ তত্বৰ বিষয়ে আলোচনা কৰা।

উত্তৰ**:** মীমাংসা দৰ্শনৰ স্বতঃ প্ৰামাণ্যবাদৰ তত্বটোক স্বতঃ বৈধতা বা অন্তনিহিত জ্ঞানৰ বৈধতাৰ তত্ব বুলিও জনা যায়। মীমাংসা দৰ্শনৰ মতে, সকলো ধৰণৰ অনুমানেই নিজে নিজেই বৈধ। ইয়াৰ আন কোনো জ্ঞানৰ দ্বাৰা বৈধতা প্ৰমান কৰিব নোৱাৰি। ই জ্ঞান নিজে অহা কাৰণবোৰৰ পৰাই আহে। এই জ্ঞানৰ কাৰণবোৰৰ অনিবাৰ্য স্বৰূপৰ বাবেই জ্ঞানৰ বৈধতাৰ উৎপত্তি হয়। ই কোনো আন বাহিৰা কাৰণৰ পৰা নাহে। মামাংসা দৰ্শনৰ দুজন পৃষ্ঠপোষক প্ৰভাকৰ আৰু কুমাৰিলে জ্ঞানৰ অন্তনিহিত বৈধতাৰ বিষয়ে পৃষ্ঠপোষকতা কৰে। প্ৰভাকৰে কৈছে, 'All cognitions as cognitions are valid; their invalidity is due to their disagreement with the real nature of their objects. 'কুমাৰিলেও কৈছে, 'The validity of knowledge consists in its apprehending an object; it is set aside by such discrepaneies as its disagreement with the real nature of the object.'

ওপৰোক্ত দুয়োটা উক্তিয়েই এইটোৱেই কয় যে সকলো জ্ঞানেই অৰ্ন্তনিহিত ভাৱে বৈধ বুলি ধৰি লোৱা হয় আৰু জ্ঞান তেতিয়াই অবৈধ হয় যেতিয়াই এটা বস্তুৰ সঁচা জ্ঞান সেই বস্তুটোৰ মিছা বা ভ্ৰান্ত জ্ঞানৰ দ্বাৰা বিৰোধিতা কৰা হয়। উদাহৰণ স্বৰূপে, ৰছ েএডালক আন্ধাৰত সাপ বুলি ভ্ৰান্ত জ্ঞান হয় আৰু এই ভ্ৰান্ত জ্ঞানৰ তেতিয়াই অৱসান ঘটিব যেতিয়াই এইটো স্পষ্ট হয় যে এইডাল এডাল ৰছীহে, সাপ নহয়। এই মিছা জ্ঞানবোৰ যেনে সাপ বুলি ভৰাটো তেতিয়াই সংঘটিত হয় যেতিয়া আমাৰ মগজুত সঁচা জ্ঞানৰ পোহৰৰ অভাৱ ঘটে আৰু ফলস্বৰূপে আমি তাক সাপ বুলি ভুল কৰো।

কিন্তু যেতিয়াই আমাৰ মন মগজুত সঁচা জ্ঞানৰ পোহৰ উদভাষিত হয় তেতিয়াই মিছা জ্ঞান আঁতৰি সঁচা জ্ঞানৰ উদ্ৰেক ঘটে। দৰাচলতে, সঁচা জ্ঞানৰ বৈধতা নিজে নিজেই প্ৰমাণিত হয়, সঁচা জ্ঞান অৰ্ন্তনিহিত ভৱে বৈধ যাক অনুমান কৰিব নোৱাৰি, সঁচা জ্ঞান নিজে নিজেই প্ৰমাণিত, নিজে নিজেই বৈধ। মীমাংসা দাৰ্শনিক সকলে জ্ঞানৰ বৈধতা ইয়াৰ উৎপত্তি আৰু নিশ্চয়তাৰ ক্ষেত্ৰত সমৰ্থন কৰিছে। জ্ঞানৰ স্বতঃ বৈধতা ই কেৱল জ্ঞানেই নিদিয়ে, ই বিশ্বাসৰ আধাৰত জ্ঞানৰ বৈধতা সম্পৰ্কেও জ্ঞান দিয়ে। জ্ঞানৰ বৈধতা তথা বিশ্বাসে অৰ্থাৎ জ্ঞানৰ বৈধতাৰ প্ৰতি থকা বিশ্বাসে কোনো বাহিৰা অৱস্থা আৰু প্ৰমাণীকৰণৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। জ্ঞানৰ স্বতঃবৈধতাই কেৱল দুটা দিশৰ বাবে নিৰ্দেশ কৰে। জ্ঞানৰ অনিবাৰ্য্য অৱস্থাসমূহ যেনে জ্ঞানৰ ক্ষেত্ৰত ভুল ভ্ৰান্তিৰ অভাৱ আৰু জ্ঞান আহৰণৰ ক্ষেত্ৰত বিৰোধৰ অভাৱ, গতিকে সেই বৈধতাৰ ক্ষেত্ৰত জ্ঞান তথা বিশ্বাস দুয়োটাই একেলগে উদ্ভৱ হয়। সেয়েহে, এইটো স্পষ্ট হয় যে জ্ঞানৰ বৈধতা কেৱল জ্ঞানৰ পিচতহে আছে।

সাংখ্য দৰ্শনৰ মতেও জ্ঞানৰ বৈধতা অবৈধতা স্বতঃ প্ৰমাণিত। এই মতৰ বিপৰীতে, বৌদ্ধ দৰ্শনৰ বিছুমান সম্প্ৰদায়ে মত প্ৰকাশ কৰে যে জ্ঞান সদায় অৰ্ন্তনিহিত ভাৱে অবৈধ কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াক বৈধ বুলি প্ৰমাণিত কৰিব পাৰি। ন্যায় বৈশেষিক সম্প্ৰদায়েও এইক্ষেত্ৰত মত পোষণ কৰিছে যে কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে জ্ঞানৰ বৈধতা-অবৈধতা প্ৰমাণ কৰিব পাৰি। আনহাতে মীমাংসা সম্প্ৰদায়ে মত পোষণ কৰে যে জ্ঞান অন্তৰ্নিহিতভাবে বৈধ আৰু কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াৰ অবৈধতা প্ৰমাণ কৰিব পাৰি।